# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 30-05-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

***- - - - - - - - - - - - - - -***

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। আজি সন্ধিয়া নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰে। দেশৰ ৭ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত এই পৰ্যায়ত পহিলা জুনত ভোটগ্ৰহণ হ'ব। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঞ্জাবৰ হুছিয়াৰপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে হুছিয়াৰপুৰৰ নিৰ্বাচনী সভাত কংগ্ৰেছ দল আই এন ডি আই মিত্ৰজোঁটে ভোট বেংকৰ ৰাজনীতি কৰি আহিছে বুলি সমালোচনা কৰি কয় যে, বিৰোধী দলটোৱে ৰাজনীতিৰ বাবেই ৰাম মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰত বিৰোধিতা কৰি আহিছিল। লগতে বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কয় যে, দলিত আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ পৰা কোনেও সংৰক্ষণ কাঢ়ি নিব নোৱাৰে। সংৰক্ষণৰ ক্ষেত্ৰত কংগ্ৰেছ দলৰ নীতি অতি গৰ্হিত। তেওঁলোকে দলিত, অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ সংৰক্ষণ কাঢ়ি নি কেৱল ধৰ্মীয় সংখ্যালঘু লোকক দিব বিচাৰে। এয়া দেশক ধৰ্মৰ ভিত্তিত বিভাজন কৰাৰ এক গভীৰ ষড়যন্ত্ৰ। কংগ্ৰেছৰ এনে নীতি আমি উদঙাই দিয়াৰ বাবে তেওঁলোকে আমাক সমালোচনা কৰিছে। পঞ্জাবত নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱাৰ পাছত বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে তিনিদিনীয়া ভ্ৰমণসূচীৰে কন্যাকুমাৰীত উপস্থিত হয়। শ্ৰীমোদীয়ে প্ৰথমে ভাগৱতী মন্দিৰ দৰ্শন কৰে। তাৰ পাছত তেওঁ এম এল বিবেকানন্দ জাহাজত উঠি স্বামী বিবেকানন্দ স্মাৰক ভ্ৰমণ কৰে। এই স্থানতে তেওঁ তিনি দিনৰ বাবে ধ্যানত বহিব। ১ জুনৰ দিনা ধ্যান সামৰি বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে এখন বিশেষ বিমানেৰে ত্ৰিবান্দমলৈ উভতি আহিব।

ওড়িশাৰ ৬টা সংসদীয় সমষ্টিৰ লগতে ৰাজ্যখনৰ ৪২টা বিধানসভা সমষ্টিটো পৰহিলৈ ভোটগ্ৰহণ হ'ব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে ওড়িশাৰ বালাছ'ৰ লোকসভা সমষ্টিৰ ছিমুলিয়াত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ ৰাজ্যখনৰ শাসকীয় দল বি জে ডি আৰু বিজেপিৰ মাজত ৰাজনৈতিক মুনাফাৰ বাবে ভিতৰি বুজাপৰা থকাৰ অভিযোগ আনে। কংগ্ৰেছ জ্যেষ্ঠ নেতাগৰাকীয়ে লগতে কয় যে, বিজেপিৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে তেওঁৰ ওপৰত ৪২টাকৈ গোচৰ ৰুজু হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বুজাপৰা থকাৰ বাবে ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়ক বহুকেইটা কেলেংকাৰিৰ সৈতে জড়িত হোৱাৰ স্বত্বেও কোনো এটা কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা নাই।

ooooo

ৰাজ্যখনত শেহতীয়াভাৱে ৰিমাল ঘূৰ্ণিবতাহৰ ফলত হোৱা ধাৰাষাৰ বৰষুণে কেইবাখনো জিলাৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চল প্লাৱিত কৰিছে। ৰাজ্যখনৰ কমেও ৮ খন জিলা নগাঁও, হাইলাকান্দি, পশ্চিম কাৰ্বি আংলং, কৰিমগঞ্জ, কাছাৰ, হোজাই, গোলাঘাট আৰু কাৰ্বি আংলঙৰ ১৪৩ খন গাওঁ বানত ক্ষতিগ্ৰস্ত হৈছে। এই বানত ২৬ হাজাৰৰো অধিক লোক আৰু ১৯৭ হেক্টৰ কৃষি ভূমি ক্ষতিৰ সন্মুখীন হৈছে। এছ ডি আৰ এফ আৰু এন

ডি আৰ এফে জিলাসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। বানে কেইবাটাও পথ প্লাৱিত কৰাৰ ফলত কোনো কোনো অঞ্চলত পথ যোগাযোগ ব্যাহত হৈছে। ইফালে, কাছাৰ জিলাৰ নগৰাঞ্চলত হোৱা বানৰ ফলত শিলচৰৰ ৪ সহস্ৰাধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। জিলাখনত বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও ধুমুহা বেৰষুণৰ ফলত বিস্তৰ ক্ষতি হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত আজি দিনৰ ভাগত অহা এজাক ধুমুহা বৰষুণৰ ফলত অঞ্চলটোত বিস্তৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ধুমুহাই কেইবাটাও বাসগৃহ, মোবাইলৰ টাৱাৰ আদি ক্ষতি কৰাৰ লগতে যোগাযোগ ব্যৱস্থা ব্যাহত কৰে। বিশেষকৈ ভুৰাকাটা, কালাপানী, কুকুৰমাৰা, থেকামাৰী, ফুলেৰচৰ আৰু পাথৰীয়া গাঁও পঞ্চায়ত এলেকাত ধুমুহাত বহু লোক ক্ষতিগ্ৰস্ত হৈছে। ইপিনে, হাটশিঙিমাৰী মানকাচৰ সংযোগী পথত গছ উভালি পৰি যাতায়ত ব্যৱস্থা ব্যাহত হয়। জিলাখনৰ বিভিন্ন স্থানত বিদ্যুৎ পৰিবাহী খুঁটা উভালি পৰাৰ ফলত ঠায়ে ঠায়ে বিদ্যুৎ যোগানো ব্যাহত হৈ আছে। ইফালে, হাটশিঙিমাৰীৰ সমীপৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্ত্তী কালাইৰ আল্লগাত ব্ৰহ্মপুত্ৰৰ খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। হাটশিঙিমাৰীৰ পৰা ভাৰত-বাংলাদেশ সীমান্ত সংযোগী একমাত্ৰ পথটো খহনীয়াত জাহ যোৱাৰ আশংকাই দেখা দিছে। ইফালে, সীমান্ত অঞ্চলৰ এই খহনীয়াই নিৰাপত্তাৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে।

ইপিনে, নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ ২০খনৰো অধিক গাঁও জলমগ্ন হৈ পৰিছে। মথাউৰি চিগি গাঁওসমূহত পানী সোমোৱাৰ ফলত অঞ্চলটোৰ জনসাধাৰণ বিপদৰ সন্মুখীন হৈছে। কৰিমগঞ্জৰ বিভিন্ন অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। বদৰপুৰৰ কান্দিগ্ৰাম এলেকাত চিগা মথাউৰিৰে পানী সোমোৱাৰ ,ফলত কেইবাখনো গাঁও প্লাৱিত হৈছে। ইফালে, বৰাক আৰু কুছিয়াৰা নৈ বিপদসীমাৰ ওপৰেৰে বৈ আছে। বদৰপুৰৰ উত্তৰ কান্দিগ্ৰামত বৰাক নৈৰ বানে ৫০ হাজাৰ লোকক গৃহহীন কৰাৰ উপক্ৰম হৈছে।

নেৰানেপেৰা বৰষুণৰ ফলত উমৰাংছুৰ খান্দং বান্ধৰ সাতখন শ্লুইচ গেট খুলি দিয়াৰ ফলত কপিলী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছে।

ooooo

দক্ষিণ-পশ্চিম মৌচুমী বতাহ কেৰালাত প্ৰৱেশ কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বেছিভাগ এলেকাৰ দিশে অগ্ৰসৰ হৈছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে স্বাভাৱিকতে ১ জুনত প্ৰতিবছৰে কেৰালাত মৌচুমী বায়ুৱে প্ৰৱেশ কৰাৰ দুদিন পূৰ্বে এইবাৰ ৰাজ্যখনত মৌচুমীৰ আগমন ঘটে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই কয় যে দক্ষিণ ভাৰতৰ কৰ্ণাটক, তামিলনাডু আৰু পুডুচেৰীতো অহা দুই-তিনিদিনত মৌচুমী বায়ুৱে প্ৰৱেশ কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ লগতে হিমালয়ৰ পাদদেশৰ পশ্চিমবংগ আৰু ছিকিমৰ সকলো অঞ্চলতে মৌচুমী বায়ু প্ৰৱেশ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

ooooo

সমাপ্ত